# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-12-2024 **Time :** 1205 Hrs.

গণ শিল্পী সূৰ্য দাসৰ আজি পুৱা হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ নগাওঁ জিলাৰ ধৰমতুলত দেহাৱসান ঘটে। **মানুহ দেখিছো আজি, বহুত মানুহ, চাপ্ৰা বহু দূৰ** আদি বহু গীতেৰে জনতাৰ শিল্পী হৈ উঠা সূৰ্য দাসৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৬ বছৰ। আজি পুৱা শিল্পীগৰাকীয়ে ঁ বুকুৰ বিষ অনুভৱ কৰাত তেওঁক ধৰমতুল সমূহীয়া স্বাস্থ কেন্দ্ৰত ভৰ্তি কৰোৱাৰ পাছত চিকিৎসকলে তেওঁক মৰিগাওঁ অসামৰিক চিকিৎসালয়লৈ লৈ যোৱাৰ পৰামৰ্শ দিয়ে। পাছত মৰিগাওঁ অসামৰিক চিকিৎসালয়ৰ চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। ইয়াৰ পাছত তেওঁৰ শৱ দেহ মৰিগাওঁ ৰাজহুৱা বিহুতলিলৈ অনা হয়। মৰিগাওঁ জিলা প্ৰশাসন, মৰিগাওঁ জিলা সাহিত্য সভা, মৰিগাওঁ জিলা ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল সংগঠনে তেওঁক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁৰ শৱ দেহ গুৱাহাটীৰ নাৰেঙ্গীৰ গনেশ মন্দিৰ পথৰ বাসভৱনলৈ অনাৰ ব্যৱস্থা কৰা হৈছে আৰু আবেলি ভাগত নৱগ্ৰহ শ্মশানত তেওঁৰ শেষ কৃত্য সম্পন্ন কৰা হ'ব।

অসম সাহিত্যসভাৰ বিষ্ণু ৰাভা বঁটাকে ধৰি ভালেমান বঁটা আৰু সন্মানেৰে সন্মানিত সূৰ্য দাসৰ গীতসমূহত প্ৰচ্ছন্ন জাতীয়তাবোধ আৰু মানৱ প্ৰেমৰ প্ৰতিফলন দেখা যায়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মৰিগাওঁ জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাকে ধৰি বহু ব্যক্তি আৰু দল সংগঠনে শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে।

০০০০

নাগালেণ্ড আৰক্ষীয়ে ৰাজ্যখনত ছেকেণ্ডহেন্দ অৰ্থাত পূৰ্বে ব্যৱহৃত বাহনৰ অসাধু ব্যৱসায়ীৰ পৰা এনে বাহন ক্ৰয় নকৰিবলৈ ৰাজ্যবাসীক আহ্বান জনাইছে। কালি ক'হিমাত জাৰি কৰা এখন বিজ্ঞপ্তিত এইবুলি কোৱা হৈছে যে, নাগালেণ্ড আৰক্ষীয়ে ৰাজ্যখনৰ বাহিৰত পঞ্জীয়ন হোৱা বাহন অসাধু উপায়েৰে নাগালেণ্ডৰ গ্ৰাহকক বিক্ৰী কৰাৰ ভালেসংখ্যক ঘটনা ধৰা পেলাইছে। পূৰ্বে ব্যৱহৃত এনে ভালেসংখ্যক বাহন চুৰি বাহন বুলি পাছত প্ৰমাণিত হৈছে। বিজ্ঞপ্তিখনত লগতে কোৱা হৈছে যে, বৰ্তমান প্ৰায়বোৰ বাহনতে জি পি এছ্ সংযোজিত হোৱা হেতুকে বাহনৰ বহিঃৰাজ্যৰ প্ৰকৃতগৰাকীয়ে আৰক্ষীৰ জৰিয়তে তেওঁৰ চুৰি বাহনৰ অৱস্থিতি নিৰূপণ কৰে আৰু চুৰি বাহন ক্ৰয় কৰোতাজনক নিজৰ অজানিতে দোষী হিচাপে অভিযুক্ত হয়। সেয়েহে পূৰ্বে ব্যৱহৃত কোনো বাহন ক্ৰয় কৰাৰ ক্ষেত্ৰত সাৱধান হ'বলৈ নাগালেণ্ড আৰক্ষীয়ে সেই ৰাজ্যৰ জনসাধাৰণক আহ্বান জনাইছে।

০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অহা জানুৱাৰী মাহত পক্ষী গণনা কৰা হ'ব। স্থায়ী জলচৰ আৰু পৰিভ্ৰমী পক্ষীৰ বিষয়ে তথ্য সংগ্ৰহ কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে এই গণনা কৰা হয়। বৰ্তমান কাজিৰঙাৰ নদী, বিল, জলাশয়সমূহ আলহী পক্ষীৰে ভৰি পৰিছে। উদ্যানখনৰ বন সংমণ্ডল বিষয়া অৰুণ ভিগনেছে সমাগত গণনাত নতুন পক্ষীৰ তথ্য লাভ কৰাৰ আশা প্ৰকাশ কৰিছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **বিদেশ ভ্ৰমণৰ খুঁটি-নাটি** শীৰ্ষক এটা অনুষ্ঠান প্ৰচাৰ কৰিব। ফোন-ইন এই অনুষ্ঠানত ভ্ৰমণ পৰিচালনাৰ সৈতে জড়িত দুগৰাকী উদ্যমী প্ৰজ্ঞাস্মিতা বৰা আৰু প্ৰিয়ংকা গোস্বামী সমল ব্যক্তিৰূপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। এই অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬২৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰ দুটাত  ফোন কৰি বিদেশ ভ্ৰমণ সম্পৰ্কত সমল ব্যক্তি দুগৰাকীৰ সৈতে কথা পাতিব পাৰিব।

০০০০০

ধেমাজি জিলাৰ যোগান বিভাগে কালি ধেমাজি জিলা সদৰৰ মৰিঢল অঞ্চলৰ এটা গুদামৰ পৰা শ শ কুইণ্টল ধান জব্দ কৰে। জিলাখনৰ যোগান বিভাগে  শিৱ ৰাথি আৰু ৰামপ্ৰীত সিং নামৰ দুজন ব্যৱসায়ীৰ গুদামত অভিযান চলাই এই বুজন পৰিমাণৰ ধানখিনি জব্দ কৰে। উল্লেখযোগ্য যে ব্যৱসায়ী দুজনে কোনো বৈধ নথি-পত্ৰ অবিহনে এই ধানখিনি গোপনে গুদামত মজুত কৰি ৰাখিছিল।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-781003 লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

০০০০০